অধ্যায় ২ ঃ ভট্টদেৱ ঃ *কথা গীতা* (প্রথম আৰু দ্বিতীয় অধ্যায়)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ভট্টদেৱ ঃ জীৱন আৰু কৃতি

২.৩.১ ভট্টদেৱৰ গদ্য প্রতিভা

২.৪ ভট্টদেৱৰ *কথা গীতা*

২.৪.১ মূল পাঠৰ আভাস

২.৪.২ *কথা গীতাৰ* গদ্যৰ চমু পৰিচয়

২.৪.৩ ব্যাকৰণগত বৈশিষ্ট্য

২.৪.৪ গদ্যৰ অন্যান্য বৈশিষ্ট্য

২.৪.৫ অনুবাদ ৰীতি

২.৪.৬ কঠিন শব্দৰ টোকা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া গদ্য সাহিত্যৰ বিষয়ে সম্যক আভাস লাভ কৰিব পাৰিব
- ভট্টদেৱৰ গদ্য আৰু কাব্য প্রতিভাৰ লগতে তেওঁৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভট্টদেৱৰ গদ্যৰীতি সম্পর্কে জনাৰ লগতে মধ্যযুগীয় অন্যান্য গদ্য সম্পর্কে অধ্যয়নৰ প্রতি আগ্রহ বৃদ্ধি পাব
- ভট্টদেৱৰ গদ্যৰীতি সম্পর্কে সম্যক জ্ঞান আহৰণ কৰি সেই জ্ঞানৰ যোগেদি বৈষ্ণৱ সাহিত্যৰ স্বৰূপ সম্পর্কে আলোচনা কৰিবলৈ সক্ষম হ'ব
- ভট্টদেৱৰ গদ্যানুবাদ তথা অনুবাদ ৰীতি সম্পর্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰিব
- ভট্টদেৱৰ গদ্যৰ বৈয়াকৰণিক বৈশিষ্ট্য সম্পর্কে জানিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তৰ্গত ঐচ্ছিক পাঠ্যবিষয়ৰ 'অসমীয়া গদ্য সাহিত্য' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো দ্বিতীয় অধ্যায়। ক্ৰমাঙ্ক অনুসৰি স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ এইখন ঐচ্ছিক পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ মাধ্যমেদি শিক্ষাৰ্থীক অসমীয়া গদ্য সাহিত্যৰ বিভিন্ন ধাৰাৰ লগত পৰিচিত কৰাবলৈ প্ৰয়াস কৰা হৈছে। অসমীয়া গদ্যৰ শুভাৰম্ভ হয় ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱৰ হাতত।পৰৱৰ্তী সময়ছোৱাত বুৰঞ্জীৰ গদ্য আৰু *গুৰু-চৰিত-কথাৰ* গদ্যই বিশেষ গুৰুত্ব লাভ কৰিছিল। তাৰো পৰৱৰ্তী সময়ছোৱাত অৰুনোদইৰ গদ্যই আধুনিক অসমীয়া গদ্যৰ বাট কাটি দিলে। এই পাঠ্যবিষয়ৰ দ্বিতীয়টো অধ্যায়ৰ শীৰ্ষক ভট্টদেৱৰ *কথা গীতা*। ইয়াত অসমীয়া গদ্যৰ পিতৃ স্বৰূপ ভট্টদেৱৰ গদ্যৰ বিভিন্ন বৈশিষ্ট্য তেওঁৰ গদ্যকৃতি *কথা গীতাৰ* আলোচনাৰ মাজেদি কৰা হৈছে। শিক্ষাৰ্থীয়ে মূল পাঠাংশৰ লগতে ভট্টদেৱৰ গদ্যৰ বিশিষ্ট দিশসমূহৰ ধাৰণা লাভ কৰিব পাৰিব।

২.৩ ভট্টদেৱ ঃ জীৱন আৰু কৃতি

অসমীয়া গদ্য সাহিত্যৰ জনক কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ জন্ম হয় প্ৰাচীন কামৰূপ জিলাৰ (বৰ্তমান বৰপেটা জিলা) ভেৰাগাঁৱত। তেওঁলোকৰ উপৰিপুৰুষৰ ঘৰ আছিল বিছানকুছিত। অসমীয়া গদ্য সাহিত্যৰ এই গৰাকী পুৰোধা ব্যক্তিৰ জীৱন আৰু কৃতিৰ কথা ইতিমধ্যে স্নাতকোত্তৰ অসমীয়া প্ৰথম ষান্মাসিকৰ অন্তৰ্গত প্ৰথম পাঠ্যবিষযত আলোচনা কৰা হৈছে। গতিকে ইয়াত তাৰ পুনঃ আলোচনা নকৰি শিক্ষাৰ্থীক প্ৰথম পাঠ্যবিষয়ৰ একাদশ অধ্যায় 'শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়'ত চকু ফুৰাবলৈ কোৱা হ'ল।



জানি থোৱা ভাল

- বৈকুণ্ঠনাথে শিক্ষা সমাপ্ত কৰি নিজ গাঁৱলৈ ঘূৰি অহাৰ পাছত আমগুৰিৰ ৰাজ পুৰোহিত কৃষ্ণ মিত্ৰই তেওঁৰ কন্যা পদ্মাৱতীক তেওঁলৈ আগবঢ়ায়। বিয়াৰ পিছত তেওঁ সপৰিবাৰে মেটুৱাকুছিত (তাঁতিকুছি) বাস কৰে।
- বৈকুণ্ঠনাথ অৰ্থাৎ ভট্টদেৱৰ একমাত্ৰ পুত্ৰৰ নাম শ্ৰীনিবাস। তেওঁ বিদ্যা-শিক্ষা লাভ কৰি উপযুক্ত বয়সত গৃহী হয়। তেওঁ দুগৰাকীক বিবাহ কৰাইছিল। পিছে তেওঁ অপুত্ৰক হৈ অকালতে মৃত্যুবৰণ কৰিছিল। দুই পত্নীয়ে পতিৰ সৈতে সহমৰণ কৰিছিল।

২.৩.১ ভট্টদেৱৰ গদ্য প্ৰতিভা

কথা-ভাগৱত, কথা গীতা আৰু *কথা ৰত্নাৱলী* এই তিনিখন ভট্টদেৱ বিৰচিত গদ্য-গ্ৰন্থ। ইয়াৰে *কথা ভাগৱত* তেওঁৰ প্ৰথম ৰচনা। তিনিওখন গ্ৰন্থ ভট্টদেৱে গুৰু দামোদৰদেৱৰ আজ্ঞাত ৰচনা কৰিছিল। কোচৰজা পৰীক্ষিত নাৰায়ণৰ আদেশত

দামোদৰদেৱে পাটবাউসী এৰি বিজয় নগৰলৈ যাবলগীয়া হোৱাত প্রিয় শিষ্য ভট্টদেৱক পাটবাউসী সত্রৰ সকলো প্রকাৰৰ দায়িত্বত অধিষ্ঠিত কৰাৰ লগতে 'স্ত্রী-শূদ্র সর্বলোকে' বুজিব পৰাকৈ অসমীয়া গদ্যত ভাগৱতৰ সৰল ভাঙনি কৰিবলৈ উপদেশ দিয়ে—

আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে একখণ্ড ভাগৱত কৰা।।
পূর্বে মহাপুৰুষে যে কৰিলা দশস্কন্ধ।
কীর্ত্তন ভটিমা ছবি দুলড়ী সুছন্দ।।
তাতোকৰি সুগম কৰিও ভাগৱত।
স্ত্রী-শূদ্র সর্বলোকে বুজে যেন মত।।

ভাগৱতৰ দৰেই *শ্রীমদ্ভাগৱত গীতা* আৰু *ভক্তি ৰত্নাৱলী* গ্রন্থও ভট্টদেৱে গুৰু দামোদৰদেৱৰ আজ্ঞাতেই ৰচনা কৰি অসমীয়া গদ্য সাহিত্যৰ ভেটি টনকিয়াল কৰে—

প্রভুৰ আজ্ঞায়ে বাঢ় স্কন্ধ ভাঙ্গি
কথাৰূপ কৰিলন্ত।
গীতা ৰত্নাৱলী কথাৰূপে তাকো
কৰিলন্ত বিৰচন।।

ভট্টদেৱে প্রথমতে *ভাগৱতৰ* প্রথম স্কন্ধৰ ব্যাখ্যাত্মক অনুবাদ কৰি গুৰু দামোদৰদেৱক দেখুওৱাত গুৰুৱে তেওঁক সংক্ষেপ কৰি গ্রন্থখন ৰচনা কৰিবলৈ উপায় দিয়ে—

সংক্ষেপ কৰিয়া সাৰ মাত্র লৈয়া
কৰা কথা কবিৰত্ন।

গুৰুৰ আদেশ শিৰোধার্য কৰি ভট্টদেৱে ষোড়শ শতিকাৰ শেষভাগত (১৫৯৩-১৫৯৭খৃঃ) সমগ্র *ভাগৱতক* কথাৰূপ প্রদান কৰে। ভট্টদেৱে গদ্য ৰচনাৰ ক্ষেত্রত অনুসৰণ কৰা ৰীতি সম্পর্কত তেওঁৰ নিজৰেই বক্তব্য আছিল এনে ধৰণৰ—

মঞি অল্পমতি তথাপি শ্রী দামোদৰৰ আজ্ঞায়ে
সন্তসবৰ অনুমোদনে টীকা-ভাষ্য অনুসৰি সংক্ষেপ
প্রকাৰে নিবন্ধো —*(কথা ভাগৱত)*
যদ্যপি আমি শ্রীকৃষ্ণৰ প্রসাদে শ্রীধৰী, শঙ্কৰী,
দামোদৰী ভাস্কৰী চাৰিও টীকা বিচাৰ কৰিছে,
তথাপি প্রায় শ্রীধৰী টীকাৰ মতে কথা নিবন্ধিবো।
এখনে মহাযত্নে ভক্তি ৰত্নাৱলী কান্তিমালা টীকাসমে
মঞি প্রকট কৰিলোঁ। তাত শ্রীধৰস্বামী লিখনক যি
যি কিছু ন্যুনাধিক ব্যাখ্যা কৰিলো, তাক
সুবুদ্ধিসবে ক্ষমা কৰিবা।

ভট্টদেৱে তিনিওখন গ্রন্থ প্রসঙ্গত নিজে লিখি যোৱা এই বাক্য কেইটাই শ্রীধৰ স্বামীৰ টীকাৰ আদর্শত তিনিওখন গদ্যৰ অনুবাদ কৰা কথাষাৰ প্রমাণ কৰে। কিন্তু, কি কাৰণেনো লেখকে উক্ত গ্রন্থকেইখনৰ গদ্য ৰূপপ্রদানত প্রধানভাৱে শ্রীধৰ স্বামীৰ টীকাক অনুসৰণ কৰিলে? এই সম্পর্কত ভট্টদেৱে নিজেই মন্তব্য আগবঢ়াইছে এনেদৰে—

> শ্রীধৰী ভক্তিক মাত্র নিৰূপণ কৰে, শঙ্কৰী টীকা
> জ্ঞানক প্রদান কৰি ব্যাখ্যা কৰে, ভাস্কৰী কর্মক প্রদান
> কহে, দামোদৰী তিনিও যোগক সমান কৰে,
> বৈষ্ণৱসবৰ প্রীতিৰ অর্থে ভক্তি প্রদান টীকামতকে
> প্রায় লিখিবো।

গতিকে দেখা যায় যে ভট্টদেৱে ভক্তি মতক প্রাধান্য দিয়াৰ বাবে প্রধানকৈ শ্রীধৰ স্বামীৰ টীকাৰ ওপৰতে অধিক পৰিমাণে নির্ভৰ কৰিছে।

মন কৰি বলগীয়া যে ষোড়শ শতিকাৰ শেষ ভাগলৈকে গ্রন্থ গদ্যত লেখাৰেই নিয়ম আছিল। কিন্তু *ভাগৱত, গীতা* আৰু *ৰত্নাৱলী* —এই তিনিওখন গভীৰ তত্ত্বপূর্ণ শাস্ত্র ভট্টদেৱে গুৰুৰ অনুৰোধ মর্মে গদ্যত লিখি উলিয়াবলগীয়া হয়। সেই সময়ত শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহত ব্যৱহৃত ব্রজাৱলী মিশ্রিত গদ্যৰ বাহিৰে ভট্টদেৱৰ আগত তেনে কোনো আর্হি নাছিল। পিছে, ভট্টদেৱে অঙ্কীয়া নাটৰ গদ্যৰ আর্হি অনুসৰণ কৰাৰ পৰিৱর্তে আধ্যাত্মিক তথ্যপ্রধান এই গ্রন্থ কেইখনৰ অনুবাদত সংস্কৃত ব্যাকৰণৰ নিয়ম অনুসৰণ কৰি প্রাক্‌শঙ্কৰী যুগৰে পৰা কবিসকলে কাব্যত ব্যৱহাৰ কৰি অহা ভাষাৰ সহায়ত এক প্রকাৰৰ নতুন গদ্যৰ সৃষ্টি কৰি উলিয়ালে।

ভট্টদেৱে জনসাধাৰণৰ কথিত ভাষাক আর্হি হিচাপে গ্রহণ নকৰি সুকীয়া গদ্যৰীতি গ্রহণ কৰা কাৰণ হিচাপে দুটিমান কথাৰ অৱধাৰণা কৰিব পাৰি।

- ভট্টদেৱে গদ্যৰূপ দিবলৈ লোৱা *ভাগৱত* আৰু *গীতা, ৰত্নাৱলী* প্রভৃতি তিনিওখন শাস্ত্রই গভীৰ দার্শনিক তত্ত্বৰে পৰিপূর্ণ। এনে তত্ত্বপূর্ণ বিষয়বস্তুক জঁতুৱা ঠাঁচ আদিৰে পৰিপূর্ণ জনসাধাৰণৰ কথিত ঘৰুৱা ভাষাৰে প্রকাশ কৰিবলৈ যোৱাটো নিশ্চিতভাৱেই বিফল প্রয়াস বুলিব পাৰি।
- এই তিনিওখন গ্রন্থই বৈষ্ণৱ সমাজত অতি পৱিত্র আৰু শীর্ষস্থানীয় ধর্মগ্রন্থ ৰূপে স্বীকৃত। গতিকে এনে গুৰুগম্ভীৰ বিষয়সমৃদ্ধ কথাবোৰ জনসাধাৰণৰ কথিত ভাষাত লিখি দিলে হয়তো এই গ্রন্থসমূহৰ প্রতি পাঠকৰ আগ্রহ অটুট নাথাকিব।

সেইবাবেই ভট্টদেৱে পূর্ব কবিসকলে কাব্যত ব্যৱহাৰ কৰি অহা শব্দাৱলীৰ সৈতে সংস্কৃত ব্যাকৰণ আৰু বাক্য-বিন্যাস ৰীতিৰ সংযোজন ঘটাই এক নতুন গদ্যৰ সৃষ্টি কৰি অসমীয়া গদ্য সাহিত্যৰ ভেটি টনকিয়াল কৰিলে। ভট্টদেৱে *গীতা, ভাগৱত* আদিত সন্নিৱিষ্ট ভালেমান তৎসম শব্দ তেওঁৰ গদ্যত হুবহুভাৱে প্রয়োগ কৰাত গ্রন্থকেইখনৰ গাম্ভীর্য আৰু মর্যাদা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

এইখিনিতেই এষাৰ কথা মন কৰিবলগীয়া যে ভট্টদেৱেৰ গদ্য সম্পর্কত বিশিষ্ট ভাষাবিদ বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে যে— "ভট্টদেৱৰ গদ্য তৎসম শব্দৰ দ্বাৰা ভাৰাক্রান্ত আৰু গদ্য লিখকসকলৰ ভাষাতকৈ কম ঘৰুৱা।" বাণীকান্ত কাকতিৰ *Assamese: Its Formation and Development*-ত উল্লেখ আছে—

> "While admirable as presenting a specimen of prose-style so far back, there is anything hardly remarkable in this prose from the linguistic point of view. The diction is overloaded with sanskritic words, and the language is far less homely than the language of the verse-writers which occasionally betrays colloquiasm."

কাকতিৰ বক্তব্য আংশিকভাৱে সঁচা হ'লেও কথাষাৰ সম্পূর্ণৰূপে মানি ল'ব নোৱাৰি কিয়নো ভট্টদেৱ আছিল সংস্কৃতৰ বিদগ্ধ পণ্ডিত। গতিকে তেওঁৰ ভাষা সংস্কৃতীয়া হোৱাতো স্বাভাৱিক। দ্বিতীয়তে, *গীতা-ভাগৱত-ৰত্নাৱলীৰ* দৰে আধ্যাত্মিক তত্ত্বপূর্ণ গ্রন্থৰ সকলোবোৰ কথা ঘৰুৱা শব্দেৰে প্রকাশ কৰাটো সম্ভৱ নহয়। সেইবাবে সমালোচক সত্যেন্দ্রনাথ শর্মাই লিখিছে— "অনন্ত কন্দলিয়ে *ভাগৱতৰ* বেদস্তুতি অনুবাদ কৰোতে কিমান ঘৰুৱা শব্দ বা ভাষা প্রয়োগ কৰিব পাৰিছে? আনকি শঙ্কৰদেৱেও একাদশ-দ্বাদশ স্কন্ধৰ তত্ত্বমূলক ভাঙনিসমূহ কিমান ঘৰুৱা হ'ব পাৰিছে?"

কিন্তু সেই বুলি ভট্টদেৱৰ গদ্যশৈলী জতুৱা ঠাঁচবিহীন বুলি একে আষাৰতে কৈ দিব নোৱাৰি। প্রয়োজনবোধে বাক্যৰ শ্রুতিমাধুর্য হ্রাস নোহোৱাকৈ তেওঁ সাৱলীল শব্দাৱলী সংযোজন কৰিছে। উদাহৰণ স্বৰূপে, *কথা ভাগৱতৰ* পৰা লোৱা তলৰ উদ্ধৃতাংশ দ্রষ্টব্য—

> খেৰে মেঢ়াই অগ্নি দেই ঃ আপুনাৰ মাংস কাটি
> খুৱাৰে ঃ জীৱন্ততে শৃগাল-শগুণে আন্ত উভাৰে ঃ সর্পে
> কামোৰে ঃ বিছায়ে ডাঙ্কে ঃ ডাহে মহে খায় ঃ হাত ভৰি
> ভাঙ্গে ঃ হস্তী ফেটাই মাৰে ঃ পর্বতৰ পৰা পেহলাৰে ঃ গাত
> খানি পোতে ঃ পানীত ডুবাৰৈ ঃ এমনে অনেক ভুঞ্জাৰৈ।

সেইদৰে *কথা গীতাত* আছে —

> যেন মঞি অনাদি ঈশ্বৰ লীলা তনু ধৰিতে এৰিতেও
> নাইবা নহো, কিন্তু সদায়ে থাকো। তুমিও এই ৰজাসবো
> উপজি মৰিও মোৰ অংশপদে নাই ক নহৱা। কিন্তু সততে থকা

কথা ভাগৱত ৰচনা সম্পর্কত *চৰিত পুথিত* লিখিছে যে দামোদৰদেৱৰ আজ্ঞানুসাৰে ভট্টদেৱে স্ত্রী-শুদ্র সকলোৱে বুজিব পৰাকৈ কথাবন্ধে *ভাগৱত* ৰচনা কৰিছিল—

তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্রী শূদ্র সর্বলোকে বুঝে যেন মত।

সংস্কৃত সাহিত্যৰ বিদগ্ধ পণ্ডিত ভট্টদেৱে টীকা-ভাষ্যৰ সৈতে *গীতা-ভাগৱত-ৰত্নাৱলীৰ* বিষয়বস্তু আত্মষ্ঠ কৰি সেইসমূহ নিজস্ব ধৰণে প্রকাশ কৰাত ভট্টদেৱৰ গদ্যই সুকীয়া ৰূপ পৰিগ্রহ কৰিছে। *কথা ভাগৱতত* ভট্টদেৱৰ গদ্যই সুকীয়া ৰূপ পৰিগ্রহ কৰিছে। *কথা ভাগৱত* ভট্টদেৱৰ গদ্যই সংৰক্ষিত আৰু *কথা গীতাৰ* বিস্তৃত ৰূপ পৰিগ্রহ কৰিছে। টীকা আৰু মূল শোকৰ যথার্থ অনুবাদ নোহোৱা কাৰণে, অথচ ভট্টদেৱৰ অনুভূতিৰঞ্জিত হৈ কথাবস্তুৱে সংক্ষিপ্ত ৰূপ লোৱাৰ কাৰণে *কথা ভাগৱতৰ* ভাষা অধিকভাৱে মূল আৰু টীকানুগামী ভাষাতকৈ বেছি স্বাভাৱিক যেন লাগে। এই দিশৰ পৰা চালে *কথা ভাগৱতত* পৰিমিত শৈলীৰ বৈশিষ্ট্য লক্ষ্য কৰা যায়। *কথা ৰত্নাৱলীতো* ঠাই বিশেষে অনুৰূপ বৈশিষ্ট্য ৰক্ষিত হৈছে।

২.৪ ভট্টদেৱৰ *কথা গীতা*

অসমীয়া গদ্য সাহিত্যৰ ইতিহাস যদিও ভট্টদেৱৰ পৰাই আৰম্ভ হোৱা বুলি কোৱা হয়, তথাপিও শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ সংলাপতে ইয়াৰ বীজ নিহিত হৈ থকা দেখা যায়। অৱশ্যে এই গদ্য আছিল ব্রজবুলি মিশ্রিত আৰু লয়গন্ধী। শঙ্কৰদেৱৰ সমসাময়িক অথবা তাৰ পূর্বৰে পৰা অসমীয়া মৌখিক লোকসাহিত্যৰ ভিতৰত মন্ত্র সাহিত্যসমূহতো আগৰ গদ্যৰ নিদর্শন বিচাৰি পাওঁ। ইয়াৰ আগলৈ গ'লে আমি তাম্রলিপি আৰু শিলালিপিসমূহৰ কাষ চাপিব লাগিব। দৰাচলতে তাম্র আৰু গছতলৰ শিলালিপিতেই প্রথম গদ্যৰ নিদর্শন পোৱা যায়। অৱশ্যে এই গদ্যক বিশুদ্ধ গদ্যৰ নিদর্শন বুলি ক'ব নোৱাৰি।

অঙ্কীয়া নাটৰ গদ্যত গতানুগতিক পদ্যৰ ভাষাৰ পৰা আঁতৰি আহি বাক্য, ভাষা আৰু ভঙ্গীক সাহিত্যিক ৰূপত প্রতিষ্ঠা কৰাৰ প্রয়াস দেখা যায়। উদাহৰণ স্বৰূপে *কেলিগোপাল* নাটৰ তলৰ উদ্ধৃতাংশ দ্রষ্টব্য—

শ্রীকৃষ্ণ বাম বাহু বাম কপোলে বামি কোমল
আঙ্গুলিচয় চালি বেণু বজাৱয়, তা শুনি সুৰ
সুন্দৰী সব মুৰুচি পড়য়। ধেনুসব তৃণদন্তে নীৰ
ঝুৰে; হৰিণীসব চেতন হৰাৱত, নদীসব কামে
কম্পয়ে ৰহ।

অঙ্কীয়া নাটৰ গদ্যত কথা ভাষাৰীতিৰ পৰিচয় পোৱা যায়। বাক্য ভঙ্গিমাৰ সৈতে ৰজিতা খুৱাই সাধাৰণ প্রচলিত শব্দ, খণ্ডবাক্য, উপমা আদি অলঙ্কাৰ ব্যৱহাৰ কৰা হয়।

অঙ্কীয়া নাটৰ সমসাময়িক বা তাতকৈ অলপ পূর্বৰ গদ্যৰ পৰিচয় পোৱা যায় মন্ত্র সাহিত্যত। অসমীয়া মন্ত্র পুথিসমূহ কেৱল সাহিত্যৰ পিনৰ পৰাই নহয়, মধ্যযুগৰ অসমৰ সামাজিক আৰু

সাংস্কৃতিক দিশৰ পৰাও যথেষ্ট গুৰুত্বপূর্ণ। উদাহৰণ স্বৰূপে 'বায়ুকৰতী'ৰ কিছু নিদর্শন দাঙি ধৰা হ'ল—

ৰামচন্দ্রে দেখে হনুমন্ত বদ্ধ গৈলা। দেখি ৰামচন্দ্র
অমৃত হাতে পৰশিল, ৰামৰ হাতে হনুমন্ত বীৰ
উঠিলা।। উঠি হনুমন্তে ৰামৰ চৰণ পৰশিলা।।
স্তুতি নতি কৰি ৰামৰ আগে ৰহিলা। দেখি
ৰামদেৱে হনুমানক দিলা বৰ। মোৰ বৰে হোৱা
অজৰ অমৰ যেতিক্ষণেই হনুমন্তক বৰ দিলা। পৃথিৱীক
লাগি হনুমন্ত চলি গৈলা।

অঙ্কীয়া নাটৰ ভাষাৰ দৰে মন্ত্রপুথিসমূহৰ ভাষাও গদ্যধর্মী। বাক্য গঠন পদ্ধতি সৰল আৰু ব্যাকৰণ বন্ধনবিহীন। বহুত মন্ত্রতে গদ্যৰ যি প্রকৃত গুণ অর্থাৎ যুক্তি সৰলভাৱে ভাব প্রকাশ কৰিবৰ যি ক্ষমতা তাৰ অভাৱ পৰিলক্ষিত হয়। ভালেমান মন্ত্র কিছুমান ক্রিয়াহীন দুর্বোধ্য শব্দ আৰু অস্পষ্ট বাক্যাংশৰ সমষ্টিহে মাথোন।

এইখিনিতেই মন কৰিবলগীয়া কথা যে অঙ্কীয়া নাট আৰু মন্ত্র পুথিত অসমীয়া গদ্যৰ প্রাচীন নিদর্শন ফুটি উঠিলেও ভট্টদেৱেহে সাহিত্য ৰচনাৰ বাবে গদ্যক পোনপ্রথমে পোনপটীয়াভাৱে ব্যৱহাৰ কৰে। গুৰু দামোদৰদেৱৰ আজ্ঞানুসাৰে ভট্টদেৱে *কথা গীতা, কথা ভাগৱত* আৰু *কথা ৰত্নাৱলী* ৰচনা কৰি অসমীয়া গদ্য সাহিত্যৰ ভেটি প্রতিষ্ঠা কৰে। *কথা গীতাৰ* বিষয়ে মন্তব্য কৰি আচার্য্য প্রফুল্ল চন্দ্র ৰায়ে মন্তব্য আগবঢ়াইছে এনেদৰে—

> ''Indeed the prose *Geeta* of Bhattadeva composed in the sixteenth century is unique of its kind... ... ...It is a priceless treasure. Assamese prose literature developed to a stage in the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimar in England.''

২.৪.১ মূল পাঠৰ আভাস

প্রথম অধ্যায়

ধর্মভূমি কুৰুক্ষেত্রত পাণ্ডৱসকলৰ সৈতে কৌৰৱসকলে যুদ্ধৰ উদ্দেশ্যে সমবেত হৈ কি কৰিলে বুলি ধৃতৰাষ্টই সঞ্জয়ক সুধিলে। সঞ্জয়ে উত্তৰ দিলে, পাণ্ডৱ সৈন্যসকলক বেহুৰ ভিতৰত সজ্জিত দেখি ৰজা দুর্যোধনে দ্রোণাচার্য্যৰ ওচৰলৈ গৈ ক'বলৈ ধৰিলে। হে আচার্য্য,আপোনাৰ ধীমান শিষ্য দ্রুপদ পুত্র(ধৃষ্টদ্যুম্ন)ৰ লগত বেহুৰ আকাৰত প্রস্তুত পাণ্ডৱসকলৰ এই বিশাল সৈনাবাহিনী চাওক। এই বাহিনীত ভীম-অর্জুনৰ সম মহা ধনুর্ধৰ বীৰসকল আছে। যুযুধান (সাত্যকি) বিৰাট, মহাৰথী দ্রুপদ, ধৃষ্টকেতু, চেকিতান,

বীর্যবান কাশীৰাজ, পুৰুজিৎ, কুন্তিভোজ, নৰপুঙ্গৱ শৈব্য, সুভদ্রাৰ পুত্র অভিমন্যু আৰু দ্রৌপদীৰ পঞ্চপুত্র, তেওঁলোক সকলোৱে মহাৰথী। হে দ্বিজ শ্রেষ্ঠ! আমাৰ সেনাবাহিনীৰো বিশিষ্ট সেনাপতিসকল জানি থওক।আপোনাৰ জ্ঞাতার্থে তেওঁলোকৰ নাম কৈছোঁ।আপুনি, ভীষ্ম, কর্ণ, সমৰবিজয়ী কৃপ, অশ্বত্থামা, বিকর্ণ-সৌমদত্তৰ পুত্র (ভুৰিশ্রবা) আৰু জয়দ্রথ।মোৰ কাৰণে প্রাণ দিবলৈ আৰু বহুতো বীৰ অস্ত্র-শস্ত্রৰে সাজু আছে। তেওঁলোক সকলোৱে যুদ্ধত বিশাৰদ। ভীষ্মই আমাৰ বিপুল সেনাবাহিনী পৰিচালনা কৰিলেও যুঁজত অসমর্থ যেন অনুমান হয়।কিন্তু ভীম সেনাপতিয়ে পৰিচালনা কৰা সেনাবাহিনী সীমিত হ'লেও সমর্থ যেন লাগে। আপোনালোক সকলোৱে নিজৰ নিজৰ যুদ্ধভূমিত থাকি ভীষ্মক ভালদৰে ৰক্ষা কৰি থাকক। তেতিয়া তেওঁৰ (দুর্যোধনৰ) হর্ষৰ নিমিত্তে কুৰুবংশৰ প্রতাপী বৃদ্ধ পিতামহ ভীষ্মই উচ্চস্বৰে শঙ্খ বজালে। তাৰ পাছত শঙ্খ, ভেৰী, পনব, আনক, গোমুখ আদি মহাশব্দে বাজি উঠিল— তুমুল শব্দ হ'ল। তাৰ পাছত বগা ঘোঁৰাই টনা মহাৰথত ৰৈ শ্রীকৃষ্ণ আৰু অর্জুনে দুটা দিব্য শঙ্খ বজালে। শ্রীকৃষ্ণই পাঞ্চজন্য, অর্জুনে দেৱদত্ত আৰু ভীমকর্মা বৃকোদৰে (ভীম) পৌণ্ড্র নামৰ মহাশঙ্খ বজালে। হে মহাৰাজ, কুন্তীপুত্র ৰজা যুধিষ্ঠিৰে অনন্ত বিজয়, নকুলে সুঘোষ আৰু সহদেৱে মণিপুষ্পক শঙ্খৰ ধ্বনি কৰিলে।মহা ধনুর্দ্ধৰ কাশীৰাজ, মহাৰথী শিখণ্ডী, ধৃষ্টদ্যুম্ন, বিৰাট, অপৰাজেয় সাত্যকি, দ্রুপদ, দ্রৌপদীৰ পাঞ্চপুত্র আৰু বীৰবাহু সুভদ্রাপুত্রই পৃথকে পৃথকে শঙ্খধ্বনি কৰিলে। সেই মহাশব্দই আকাশ, পৃথিৱী প্রতিধ্বনিত কৰি ধৃতৰাষ্ট্র পক্ষৰ হৃদয় বিদাৰণ কৰিলে। হে ৰাজন, ধৃতৰাষ্ট্র পক্ষীয় বীৰসকলে অস্ত্র নিক্ষেপ কৰিবলৈ ওলোৱা দেখি কপিধ্বজ অর্জুনে হাতত ধনু তুলি লৈ হৃষীকেশ শ্রীকৃষ্ণক এই কথা ক'বলৈ ধৰিলে।

অর্জুনে ক'লে— হে অচ্যুত, উভয় সেনাৰ মাজত মো�ৰ ৰথ ৰাখা। যুঁজিবলৈ অহা বীৰসকলক চাওঁ। মই কাৰ লগত যুদ্ধ কৰিব লাগিব? দুর্বুদ্ধি দুর্যোধনৰ প্রীতি কৰিবলৈ ইয়াত যুদ্ধার্থে যিসকল বীৰ সমবেত হৈছে, তেওঁলোকক এবাৰ চাওঁ।

তেতিয়া সঞ্জয়ে ক'লে— হে মহাৰাজ,অর্জুনৰ এই কথাত শ্রীকৃষ্ণই উভয় পক্ষীয় সেনাৰ মাজত, ভীষ্ম, দ্রোণ আৰু আন আন ৰজাৰ সমুখত উত্তম ৰথখন ৰখাই ক'লে— হে পার্থ, কুৰুপক্ষীয় বীৰসকলক চোৱা। অর্জুনে তাত উভয় সেনাৰ মাজত পিতৃব্য, পিতামহ, আচার্য্য, মোমায়েক, ভায়েক, ককায়েক, পুতেক, নাতিয়েক, বন্ধু-বান্ধৱ আৰু শহুৰেকসকলক দেখিলে। বন্ধু-বান্ধৱসকলে যুদ্ধৰ অর্থে প্রস্তুত হৈ থকা দেখি সেই কুন্তীপুত্র অর্জুনে দয়া পৰবশ হৈ মহা দুখেৰে ক'বলৈ ধৰিলে। হে কৃষ্ণ, যুদ্ধ কৰিবলৈ অহা এই স্বজনসকলক সন্মুখত দেখি মো�ৰ শৰীৰ অৱশ হৈছে আৰু মুখ শুকাই গৈছে। মোৰ শৰীৰ কঁপিছে, গাৰ নোম শিহৰি উঠিছে, হাতৰ পৰা গাণ্ডীৱ সুলকি পৰিছে আৰু গাৰ ছাল দগ্ধ হৈছে। হে কেশৱ, মই ৰথত থাকিব নোৱাৰোঁ, অত্যন্ত অস্থিৰ হৈছোঁ আৰু নানান অশুভ লক্ষণ দেখিছোঁ। যুদ্ধত মই আত্মীয়ক বধি একো লাভ নেদেখোঁ।

হে কৃষ্ণ, বিজয় আকাংক্ষা নকৰোঁ। ৰাজ্যকো ইচ্ছা নকৰোঁ আৰু সুখো নালাগে। হে গোবিন্দ, আমাৰ ৰাজ্য ভোগত কি প্রয়োজন। যিসকলৰ কাৰণে ৰাজ্য বা সুখ ভোগ কামনা, সেই আচার্য্য পিতামহ, পিতৃক আৰু মোমাই, শহুৰ, নাতি আদি আত্মীয়সকলে ধন-প্রাণৰ মায়া এৰি যুদ্ধৰ কাৰণে প্রস্তুত হৈছে। হে মধুসুধন, ত্রৈলোক্য ৰাজ্যৰআধিপত্য পালেও বন্ধুসকলক বধ নকৰোঁ। এওঁলোকে মোক মাৰি পেলালেও এওঁলোকক হত্যা কৰিবলৈ ইচ্ছা নকৰোঁ।

হে মাধৱ, আততায়ী হ'লেও তেওঁলোকক বধ কৰিলে পাপে চুব। সেইবাবে ধৃতৰাষ্ট্রৰ পুত্রসকলক সবান্ধবে বধ কৰিব নোৱাৰোঁ। স্বজনক বধ কৰি কেনেকৈ সুখী হ'ম। হে জনার্দন, লোভৰ বশৱর্তী হৈ এওঁলোকে কুলক্ষয় আৰু মিত্রদ্রেহৰ পাতক দেখা নাই, কিন্তু আমি কুলক্ষয় দোষ দেখিও কিয় সেই পাপৰ পৰা নিবৃত্তি হ'ম ? কুলক্ষয় হ'লে কুলধর্ম নষ্ট হ'ব। ধর্ম নষ্ট হ'লে অৱশিষ্ট কুলতো অধর্মে ব্যাপিব। হে কৃষ্ণ, অধর্মৰ প্রভাৱত কুলস্ত্রী দুষ্টা হ'ব। স্ত্রীসব দুষ্টা হ'লে বর্ণশঙ্কৰ জন্ম হয়। বর্ণশঙ্কৰ হ'লে কুল নৰকলৈ গতি কৰে। তেতিয়া জল-পিণ্ড লোপ হৈ পিতৃসকল নৰকত পৰে। এইবোৰ কুল বিনষ্টকাৰী বর্ণশঙ্কৰ দোষত সনাতন জাতিধর্ম আৰু কুলধর্ম বিনষ্ট হয়। হে জনার্দন, যিসকলৰ কুলধর্ম বিনষ্ট হয় তেওঁলোক চিৰকাল নৰকত বাস কৰে বুলি শুনিছোঁ। হায় হায়, মই মহাপাপ কৰিবলৈ ওলাইছো। ৰাজ্যসুখৰ লোভত স্বজন বধিবলৈ উদ্যত হৈছো। মই অস্ত্র নলওঁ, আত্মৰক্ষাৰ চেষ্টা নকৰোঁ। এই সুযোগতে যদি ধৃতৰাষ্ট্রৰ অস্ত্রধৰী পুতেকসকলে মোক বধ কৰে, সেয়াও মোৰ পক্ষে মঙ্গলজনক। সঞ্জয়ে ক'লে, ইয়াকে কৈ অর্জুনে শোকাকুল হৈ ধনুশৰ এৰি ওপৰত বহি ৰ'ল।

শ্রীমদ্ভাগৱত গীতাত অর্জুনৰ বিষাদযোগ অধ্যায়ৰ মূল কথা ইমানেই।

দ্বিতীয় অধ্যায়

ধৃতৰাষ্ট্রৰ আগত সঞ্জয়ে ক'লে— মধুসুদনে সেই কৃপাবিষ্ট অশ্রুসিক্ত আৰু বিষাদ মনেৰে থকা অর্জুনক প্রশ্ন কৰিলে, হে অর্জুন, এই সঙ্কট কালত আর্য্য চৰিত্র বিৰোধী, স্বর্গলাভৰ প্রতিবন্ধক আৰু কুখ্যাতিকৰ এই মোহ ক'ৰ পৰা উপজিল ? হে পার্থ কাতৰ হৈ নপৰিবা। ই তোমাত শোভা নাপায়। হে পৰন্তপ, ক্ষুদ্র হৃদয় দৌর্বল্য এৰি উঠা। অর্জুনে সুধিলে, হে শত্রু বিনাশকাৰী মধুসুধন, পূজ্যপাদ ভীষ্ম আৰু দ্রোণৰ বিৰুদ্ধে অস্ত্র-শস্ত্রৰে কেনেকৈ যুদ্ধ কৰিম ? মহানুভৱ গুৰুসকলক বধ নকৰি এই জগতত ভিক্ষা কৰি খোৱা উত্তম। কাৰণ, এওঁলোকক বধ কৰিলে গুৰুসকলৰ ৰুধিৰে লিপ্ত আর্যসম্পদ কাম ইহলোকত ভোগ কৰিব লাগিব। আমি বিজেতা হওঁ নতুবা বিজিত হওঁ, ইয়াৰ কোনটো মঙ্গলদায়ক তাক নাজানো। যিহেতু যিসকলক বধ কৰি জীয়াই থাকিবলৈ নিবিচাৰোঁ, ধৃতৰাষ্ট্রৰ সেইসকল পুত্রই মোৰ সন্মুখত উপস্থিত হৈছে। কুলক্ষয় পাপৰ আশংকাত মই ভীত আৰু প্রকৃত কর্তব্য নির্দ্ধাৰণৰ বেলিকা মই মূঢ় চিত্ত হৈছোঁ। মোৰ পক্ষে কি শ্রেষ্ঠ তাক নিশ্চিত কৰি কোৱা, মই তোমাৰ শিষ্য আৰু শৰণাগত।

মোক উপদেশ দিয়া। পৃথিৱীত নিষ্কণ্টক সমৃদ্ধিশালী ৰাজ্য নাইবা দেৱতাসকলৰ অধিপতি ইন্দ্র হ'লেও এই চিত্ত চাৰল্যকৰ শোক নিবৃত্তিৰ উপায় দেখা নাই।

সঞ্জয়ে ক'লে, শত্রুবিজয়ী আলস্য বর্জিত অর্জুনে হৃষীকেশ শ্রীকৃষ্ণক এইদৰে যুদ্ধ নকৰে বুলি কৈ মৌন হৈ ৰ'ল। হে ভাৰত (ধৃতৰাষ্ট্র) উভয় সেনাবাহিনীৰ মাজত বিষাদমনা অর্জুনক দেখি শ্রীকৃষ্ণই হাঁহি মুখেৰে ক'লে, যিবিলাকৰ কাৰণে শোক কৰা অনুচিত তুমি সেইবিলাকক লৈ সন্তপ্ত হৈ পণ্ডিতৰ নিচিনা কথা কৈছা।অথচ জ্ঞানী পণ্ডিতে জীৱিত অথবা মৃতৰ কাৰণে কেতিয়াও শোক নকৰে। মই, তুমি আৰু এই নৃপতিসব পূর্বতে যে নাছিলোঁ তেনে নহয়, ইয়াৰ পিছত আমি কোনোৱে নাথাকিম সেই কথাও নহয়। যেনেকৈ সকলোৰে দেহত বাল্য, যৌৱন আৰু বার্দ্ধক্য অৱস্থা দেখা যায়, তেনেকৈ দেহান্তৰ প্রাপ্তিও এটা অৱস্থা মাথোন; জ্ঞানীলোক ইয়াত বিচলিত নহয়। হে কৌন্তেয়, ইন্দ্রিয়সমূহৰ লগত সংযোগ হ'লে শীত-তাপ, সুখ-দুখ আদিৰ বোধ জন্মে। অনিত্য বিষয়ক সেইবাবে তুচ্ছ বুলি সহ্য কৰা উচিত। হে পুৰুষশ্রেষ্ঠ, জ্ঞানীলোকে সুখ-দুখক সমানে মান্য কৰে। তেওঁক ইন্দ্রিয়সমূহে কষ্ট দিব নোৱাৰে আৰু তেৱেঁই মোক্ষ লাভ কৰে। অনিত্য বস্তুৰ অস্তিত্ব নাই। নিত্য বস্তু অবিনাশী। দূৰদর্শীসকলে নিত্য আৰু অনিত্য উভয়ৰে স্বৰূপ নির্ণয় কৰিছে। যি বিশ্বব্যাপী বিৰাজমান তাকে অবিনাশী বুলি জানিবা। সেই অব্যয় স্বৰূপ (আত্মা)ক কোনোৱে বিনাশ কৰিব নোৱাৰে। নিত্য, সুখ-দুখ ৰহিত আৰু পৰিপাতি-বিহীন অবিনশ্বৰ আত্মাৰ এইবোৰ বিনাশশীল দেহ। গতিকে হে ভাৰত (অর্জুন) যুদ্ধ কৰা।

যিজনে আত্মা মৰে নাইবা যিজনে আত্মাক মাৰিব পাৰি বুলি ভাবে, তেওঁলোক উভয় অজ্ঞানী, কাৰণ আত্মা নমৰে আৰু ইয়াক মাৰিবও নোৱাৰি। আত্মাৰ জন্ম-মৃত্যু নাই আৰু বাৰে বাৰে জন্মিলেও ইয়াৰ বৃদ্ধি নহয়। এই আত্মা জন্মৰহিত, নিত্য, শাশ্বত আৰু চিৰ পু�ৰাতন। দেহৰ বিনাশ হ'লেও আত্মাৰ বিনাশ নহয়। যি পুৰুষে এই আত্মাক অবিনাশী, অজ, অব্যয় আৰু নিত্য বুলি জানে, হে পার্থ, সেইজনে কেনেকৈ কাৰোবাক হত্যা কৰাব নাইবা হত্যা কৰিব। মানুহে যেনেকৈ ছিগা কাপোৰ পৰিত্যাগ কৰি নতুন কাপোৰ পৰিধান কৰে তেনেকৈ আত্মায়ো জীর্ণদেহ পৰিত্যাগ কৰি নতুন দেহক স্বীকাৰ কৰে। এই আত্মাক অস্ত্র-শস্ত্রই কাটিব নোৱাৰে, জুইয়ে নোপোৰে, পানীয়ে নিতিয়াই আৰু বতাহেও শুকুৱাব নোৱাৰে। এই আত্মা অছেদ্য, অদাহ্য আৰু ই নুশুকাই, নিতিতে। এই আত্মা চিৰকাল একেদৰে আছে। ই নিত্য, সর্বব্যাপ্ত, স্থিৰ, অচল আৰু সনাতন। আত্মা অব্যক্ত, অচিন্ত্য আৰু অধিকাৰী বুলি কোৱা হয়। সেইবাবে ইয়াক জানি বুজি তুমি শোক কৰা অনুচিত। হে মহাবাহু, আত্মাই সততে জন্মে আৰু মৰে বুলি যদি তুমি ভাবা, তথাপিও শোক কৰা উচিত নহয়।যিহেতু জন্মিলে মৰণ আছেই আৰু মৰণ হ'লে পুনৰ জনম সুনিশ্চিত। সেইবাবে এই অপৰিহার্য বিষয়ত শোক কৰা বৃথা। হে ভাৰত (অর্জুন), জীৱসমূহ জন্মৰ আগত অব্যক্ত, মৃত্যুৰ পাছতো অব্যক্ত; মাথোন মাজছোৱাত (জন্মৰ পাছত জীয়াই থকা কাল) ব্যক্ত। সেইবাবে তাত শোক কৰিবলগীয়া কি আছে?

এই আত্মাক কোনোবাই অদ্ভুত বস্তু বুলি ভাবে, কোনোবাই ইয়াক অদ্ভুত বস্তুৰ নিচিনা বুলি বর্ণনা কৰে।অন্য কোনোবাই আত্মাক কিবা অদ্ভুত বস্তু হিচাপে শুনে। কিন্তু শুনিলেও কোনোৱে কেতিয়াও আত্মাক জানিব নোৱাৰে। হে ভাৰত, এই অনিবর্চনীয় স্বৰূপ আত্মা সবাৰো দেহত সদা অবধ্য। গতিকে কোনো জীৱৰ কাৰণে তুমি শোক কৰা উচিত নহয়। স্বধর্মৰ প্রতি লক্ষ্য কৰিলেও তুমি কম্পিত হোৱা অনুচিত, কাৰণ ন্যায় যুদ্ধ বিনে ক্ষত্রিয়ৰ আন শ্রেষ্ঠ কার্য আৰু একোৱেই নাই। হে পার্থ, ভাগ্যবান ক্ষত্রিয় সকলেহে দৈৱযোগত অনাবৃত্ত স্বর্গ দ্বাৰ সদৃশ এই নিচিনা যুদ্ধৰ সুযোগ পায়। যদি তুমি এই যুদ্ধ নকৰা, তেনেহ'লে তোমাৰ স্বধর্ম আৰু কীর্তিৰ পথ ত্যাগ পাপত লিপ্ত হ'বা। পুনৰ সকলোৱে তোমাৰ অকীর্তিৰ কাৰণে নিন্দা কৰিব। উত্তম জনৰ অকীর্তি মৰাতকৈ অধিক। মহাৰথীসবে ভাবিব, তুমি ভয়তে যুদ্ধৰ পৰা নিবৃত হ'লা। যিসকলে তোমাক মান-সৎকাৰ কৰিছিল, তেওঁলোকৰ ওচৰত হেয় হ'বা। শত্রুসকলেও তোমাৰ সামর্থ নিন্দা কৰি অনেক অবাচ্য কথা ক'ব। ইয়াতকৈ আৰু কি দুখ আছে?

হে কৌন্তেয়, যুদ্ধত মৃত্যু হ'লে স্বর্গ লাভ কৰিবা, বিজয়ী হ'লে পৃথিৱী ভোগ কৰিবা। গতিকে যুদ্ধ কৰিবলৈ নিশ্চিত হৈ উঠা। সুখ-দুখ, লাভ-অলাভ আৰু জয়-পৰাজয় সমান জ্ঞান কৰি যুদ্ধৰ কাৰণে সাজু হোৱা। তেতিয়া তুমি পাপৰ ভাগী নহ'বা। হে পার্থ, আত্মতত্ত্ব বিষয়ক জ্ঞানৰ উপদেশ তোমাক দিলোঁ। এতিয়া কর্মযোগৰ কথা শুনা। ইয়াৰ সহায়ত তুমি কর্মৰ বন্ধন এৰাই যাব পাৰিবা। নিষ্কাম কর্ম কেতিয়াও নিষ্ফল নহয়; ইয়াত পাপ নিসিজে নাইবা বিঘিনিও নঘটে। এই ধর্ম সামান্যকৈ আচৰণ কৰিলেও কর্মবন্ধনৰ পৰা পৰিত্রাণ পাব পাৰি। হে কুৰুনন্দন (অর্জুন) এই নিষ্কাম কর্মযোগত নিশ্চয়িত্মিকা বুদ্ধি এক বিষয়ত স্থিৰ হয়।কিন্তু অস্থিৰ চিত্তৰ সকামী মন নানান ফালেদি ঘূৰি ফুৰে। হে পার্থ, অধ্যাত্ম-জ্ঞানহীন কিছুমানে মনোৰম ভাষাৰে বেদত উল্লিখিত কর্মকাণ্ডৰ কথা কয়। ইয়াৰ বাহিৰে তেওঁলোকৰ একো তত্ত্ব নাই। জন্ম-কর্মফলদায়ক, বিবিধ ক্রিয়াকলাপ সম্বলিত ভোগ-ঐশ্বর্য কামনাকাৰীসকলে সততে স্বর্গ বাঞ্ছা কৰে। এইবোৰ ভোগাসক্ত ব্যক্তিৰ মন আৰু বুদ্ধি ঈশ্বৰত স্থিৰ নহয়। হে অর্জুন, বেদসমূহ ক্রিয়াত্মক, তুমি সমস্ত কর্মফলৰ আশা ত্যাগ কৰি তত্ত্বজ্ঞান সম্পন্ন হোৱা; সুখ-দুখত অবিচলিত থাকা। উপার্জন আৰু সঞ্চয় এই উভয় বিষয়ৰ চিন্তাৰহিত আত্মযান হোৱা। কেউফালে পানীৰে উপচি পৰিলে, কুঁৱাৰ প্রয়োজন যিমানখিনি, ব্রহ্মজ্ঞানীৰ ক্ষেত্রতো বেদৰ প্রয়োজন সিমানখিনি। তোমাৰ অধিকাৰ কেৱল কর্মতেই আছে, কর্মফলত কেতিয়াও নাই। কর্মফলৰ কর্মত প্রবৃত্ত নহক; আনফালে কর্ম-ত্যাগো নকৰিবা। হে ধনঞ্জয়, কর্মফলৰ কামনা ত্যাগ কৰি যোগস্থ হৈ সিদ্ধি আৰু অসিদ্ধিক সমান জ্ঞান কৰি কর্ম কৰা। সকলো অৱস্থাতে মনৰ এই সমভাবকে যোগ বোলে।

হে ধনঞ্জয়, নিষ্কাম কর্মতকৈ কাম্য কর্ম অত্যন্ত আকৃষ্ট। এতেকে নিষ্কাম কর্ম-যোগ আচৰণ কৰা। ফল আকাংক্ষীজন দীন, কৃপণ আৰু কৃপাৰ পাত্র। নিষ্কাম জ্ঞান

কৰ্মীয়ে এই জন্মতেই পূণ্য উভকেই এৰাই যায়। গতিকে তুমি যোগযুক্ত হোৱা; নিষ্কাম কৰ্মৰ কৌশলেই যোগ। জ্ঞানীসকলে কৰ্মফল ত্যাগ কৰি জন্ম আৰু কৰ্মবন্ধনৰ পৰা মুক্ত হয় আৰু সকলো প্ৰকাৰ নিৰুপদ্ৰৱ বিষ্ণুপদ বা মুক্তি পায়। যেতিয়া তোমাৰ বুদ্ধি মোহৰূপ পাপ অতিক্ৰমি যাব পাৰিব; তেতিয়া তুমি শুনা আৰু শুনিবলগীয়া বিষয়ত বৈৰাগ্য লাভ কৰিবা। বহুতো লৌকিক আৰু বৈদিক মতবাদত তোমাৰ মন চঞ্চল হৈ আছে; তেতিয়া এই চঞ্চল মন ঈশ্বৰত নিশ্চল হৈ স্থিৰভাৱে সমৰ্পিত আৰু অৱস্থিত হ'ব, তেতিয়াই তুমি যোগমুক্ত হ'বা।

অৰ্জুনে সুধিলে, হে কেশৱ, স্থিতপ্ৰজ্ঞৰ লক্ষণ কি? তেওঁ কেনেকৈ কথা-বতৰা কয়? কেনেকৈ থাকে আৰু কেনেকৈ ফুৰা চকা কৰে? ভগৱানে ক'লে, হে পাৰ্থ, যেতিয়া পুৰুষে মনৰ সমস্ত কামনা ত্যাগ কৰি আত্মসুখত তুষ্ট হৈ থাকে, তেতিয়া তেওঁকেই স্থিতপ্ৰজ্ঞ বোলা হয়। যিজন মন দুখতো উদ্বিগ্ন নহয়, সুখকো স্পৃহা নকৰে আৰু কাৰো প্ৰতি ভয় ক্ৰোধ নকৰে, সেইজনেই স্থিতপ্ৰজ্ঞ। যি জন সুভ ফল প্ৰাপ্তিত আনন্দিত নহয়, কাকো নিন্দা নকৰে অৰ্থাৎ অনাসক্ত, তেওঁৰেই প্ৰজ্ঞা প্ৰতিস্থিত হৈছে। কাছুই যেনেকৈ ঠেং-হাত সংকুচিত কৰি দেহত লুকাই ৰাখে তেনেকৈ প্ৰজ্ঞা প্ৰতিষ্ঠিত জ্ঞানীয়েও বিষয়সমূহৰ পৰা ইন্দ্ৰিয়সব আঁতৰাই ৰাখে। আতুৰ উপবাসী কিছুমানে ইন্দ্ৰিয়ৰ বিষয়ভোগ নকৰে হয়, কিন্তু তেওঁলোকৰ ভোগস্পৃহা থাকে। পৰমাত্মা দৰ্শন কৰাৰ পাছত স্থিতপ্ৰজ্ঞজনৰ ভোগস্পৃহা আঁতৰি যায়।

হে কৌন্তেয়, জ্ঞানীসকলে মোক্ষ লাভৰ কাৰণে যত্ন কৰিলেও বহুক্ষেত্ৰত দূৰন্ত ইন্দ্ৰিয়সমূহে তেওঁলোকৰ মন হৰণ কৰে। সেইবাবে যোগী পুৰুষৰ ইন্দিয়সমূহ মোৰ অধীন হৈ থাকে। এনেদৰে যিজনে ইন্দ্ৰিয় বশীভূত কৰিছে তেৱেঁই স্থিতপ্ৰজ্ঞ। বাৰে বাৰে বিষয়ৰ চিন্তা কৰিলে পুৰুষৰ তাতে আসক্তি হয়, আসক্তিৰ পৰা কামনা জন্মে, কামনাৰ পৰা ক্ৰোধ জন্মে। ক্ৰোধৰ পৰা মোহ আৰু মোহৰ পৰা স্মৃতি ভ্ৰম হয়। স্মৃতি ভ্ৰম হ'লে বুদ্ধি নাশ হয় আৰু বুদ্ধি নাশত মানুহৰ বিনাশ ঘটে। যি পুৰুষৰ মন সংযত আৰু ইন্দ্ৰিয়সমূহ মনৰ বশীভূত সেই ব্যক্তিয়ে বিষয়ভোগ কৰিলেও শান্তি পায়।

চিত্ত প্ৰশান্ত আৰু স্থিৰ হ'লে পুৰুষৰ সকলো দুখৰ নিবৃত্তি হয়; কিয়নো প্ৰশান্ত চিত্তৰ পুৰুষৰ শীঘ্ৰে বুদ্ধি স্থিৰ হয়। মন স্থিৰ নহ'লে আত্মাবিষয়ক জ্ঞান নহয়; আত্মজ্ঞানহীন পুৰুষৰ শান্তি নাই। শান্তি নহ'লে সুখ ক'ত? বিষয় সুখৰ কাৰণে ইন্দ্ৰিয়সমূহ সদায় উতলা। মনে যদি ইন্দিয় প্ৰবৃত্তিৰ কোনো বিষয়কে অনুসৰণ কৰে, তেনেহ'লে জলাধি বুকুত উঠি ফুৰা নাও বতাহে যেনেকৈ বুৰাই দিয়ে তেনেকৈ এয়ে পুৰুষৰ প্ৰজ্ঞা হৰণ কৰে।

হে মহাবাহু, সেইবাবে যাৰ ইন্দ্ৰিয়সমূহ বিষয় ভোগৰ পৰা সকলো প্ৰকাৰে নিবৃত্ত হৈছে, তেওঁৰেই প্ৰজ্ঞা প্ৰতিষ্ঠিত হৈছে। সাধাৰণ শ্ৰেণীৰ বিষয়ী লোক আত্মানিষ্ঠাত যেতিয়া শুই থাকে, আত্মদৰ্শী জিতেন্দ্ৰিয় পুৰুষে সেই ৰাতিত জাগি থাকে। আকৌ

বিষয়চিন্তাত যেতিয়া সাধাৰণ প্রাণীবিলাক জাগি থাকে, আত্মদর্শীসকলৰ বাবে সেইয়া ৰাতি হয়। নদ-নদীৰ গতিধাৰা প্রৱাহিত হৈ যেনেকৈ বিশাল সাগৰত বিলীন হয়, অথচ কোনো পৰিৱর্তন নহয়, তেনেকৈ তত্ত্বদর্শী জ্ঞানীপুৰুষে ভোগসুখত থাকিলেও শান্তি পায়। কিন্তু বিষয়কামীসকলে শান্তি নাপায়। যি পুৰুষে সকলো কামনা পৰিত্যাগ কৰি নিষ্পৃহ, নিৰহঙ্কাৰ আৰু সমতাশূন্য হৈ সংসাৰত বিচৰণ কৰে, তেৱেঁই প্রকৃত শান্তি পায়। হে পার্থ ইয়াকে ব্রহ্ম নিষ্ঠাত থকা বোলে। এই নিষ্ঠা লাভ হ'লে কোনো জীৰ সংসাৰ মোহত নপৰে। অন্তিম কালতো এই নিষ্ঠাত থাকিলে মানুহে ব্রহ্ম নির্বাণ লাভ কৰে।

২.৪.২ *কথা গীতাৰ* গদ্যৰ চমু পৰিচয়

কথা গীতাৰ বাক্যবোৰ আপেক্ষিকভাৱে দীঘলীয়া হ'লেও যথেষ্ট উন্নত আৰু *কথা ভাগৱততকৈ* অধিক অর্থপূর্ণ। *কথা গীতা* আৰু *কথা ভাগৱতৰ* সৈতে ঠায়ে ঠায়ে কথোপকথন শৈলীৰ প্রয়োগ লক্ষ্য কৰা যায়। *কথা গীতাৰ* পাতনিতে হেমচন্দ্র গোস্বামীয়ে লিখিছে— "*কথা ভাগৱতৰ* ভাষাতকৈ *কথা গীতাৰ* ভাষা বেছি কোমল আৰু সৰল। *কথা ভাগৱতত* যিমান পুৰণি অপ্রচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায় *কথা গীতাত* সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ *কথা গীতাৰ* ৰচনা বেছি প্রাঞ্জল আৰু মধুৰ।"

গীতাৰ দৰে এখনি জটিল দার্শনিক তত্ত্বৰে পৰিপূর্ণ শাস্ত্র অসমীয়া গদ্যলৈ ভাঙনি কৰি ভট্টদেৱে অসমীয়া গদ্যক ভাব প্রকাশৰ উপযুক্ত মাধ্যম হিচাপে গঢ়ি তুলিলে। *কথা গীতাৰ* ভাষা গুৰুগম্ভীৰ সাধুভাষা; চুটি চুটি বাক্য সংযোগেৰে গধুৰ বিষয়বস্তু বুজোৱাত লেখকৰ অতুলনীয় ৰচনাক্ষমতা পৰিলক্ষিত হৈছে। পুথিৰ উদ্দেশ্য আৰু লিখাৰ ভঙ্গীৰ লগত অপূর্ব সমন্বয় ঘটিছে। *কথা গীতা* পঢ়িলে এনেহে লাগে যেন নামঘৰত ৰাইজ গোট খাইছে আৰু ভাগৱতীয় *ভাগৱত গীতা* শাস্ত্র পাঠ কৰি টীকাসহ ব্যাখ্যা কৰিছে; মাজে মাজে গম্ভীৰ বিষয়ৰ প্রশ্ন তুলি নিজেই যেন তাক সমাধান কৰিছে। কথোপকথন শৈলীৰ প্রয়োগেৰে প্রশ্ন-উত্তৰ আৰু তর্ক পদ্ধতিৰ ৰীতিৰে গোটেই পুথিখনি ৰচনা কৰা হৈছে।

উদাহৰণ স্বৰূপে—

> যদি বোলা কেতিয়া আজ্ঞা ধৰা, তাত শুনা। যেখন
> ধর্মৰ হানি অধর্মৰ উদ্ভৱ হয়, তেখনে সাধুৰ ৰক্ষার্থে
> দুর্জনৰ নাশ নিমিত্তে যুগে যুগে মঞি অৱতাৰ ধৰোঁ।
> যেমন মাতৃয়ে পুত্র লালন-তাড়ন কৰিতেও নির্দয়
> নহে, তেমনে মঞিয়ো সাধুক ৰাখি অসাধুক নাশ
> কৰিতেও বৈষম্য শঙ্কা নকৰিবা। মঞি আপোনাৰ
> ইচ্ছাই জন্ম ধৰোঁ।

ভট্টদেৱৰ লেখনিৰ প্ৰধান বৈশিষ্ট্য হ'ল জটিল দাৰ্শনিক তত্ত্বকথা সহজ-সৰল কৰি বুজাই দিব পৰাতো। ভট্টদেৱৰ লেখনি ব্যাখ্যামূলক আৰু অনুবাদ হ'লেও তাৰ ভিতৰত সম্পূৰ্ণ মৌলিকতা আছে আৰু তেওঁৰ অসামান্য প্ৰকাশ শক্তিয়ে তাক অতি ৰমনীয় কৰি তুলিছে।

কথা গীতাৰ আনুবাদ ভাষাগত নহয়। বিষয়বস্তুক 'আত্মসাৎ' কৰি নিজ আদৰ্শ অনুসাৰে প্ৰকাশ কৰিব পৰাতেই লিখকৰ মৌলিকতা প্ৰকাশ পাইছে। টীকাৰ পৰা যুক্তিযুক্তভাৱে উপমা আদি উদ্ধৃত কৰি বিষয়বস্তুৰ ব্যাখ্যা সহজ-সৰল কৰিবলৈ কৰা লিখকৰ চেষ্টা লক্ষ্যণীয়।

উদাহৰণ স্বৰূপে—

যেন তৈল কিছুমানো জল এক প্ৰদেশত পৰিলে
সফল জনক ব্যাপয়, ধূলিত পাৰিলে পুনু সেহিমতে
বহে তেমনে বিশিষ্টজনত উত্তম কথা অল্পে কহিলে সকল
লোকতে প্ৰৱৰ্ত্তে।

২.৪.৩ ব্যাকৰণগত বৈশিষ্ট্য

ভট্টদেৱে সংস্কৃত ব্যাকৰণ অনুকৰণ কৰি শব্দ আৰু বাক্য ৰচনা কৰিছিল। শব্দৰ সুসঙ্গত প্ৰয়োগত ভাব প্ৰকাশ সুস্পষ্ট হয় আৰু লেখকৰ উদ্দেশ্যও সফল হয়। ভট্টদেৱৰ *কথা গীতাত* তৎসম শব্দ ব্যৱহাৰ কৰা হ'লেও ইয়াৰ ভাষা দুৰ্বোধ্য নহয়। বৰঞ্চ ই তেওঁৰ ভাষাক গাম্ভীৰ্যপূৰ্ণ আৰু ওজস্বী কৰিহে তুলিছে।

উদাহৰণস্বৰূপে— "যেন মনুষ্যে জীৰ্ণবস্তুক পৰিত্যাগ কৰি নবীন বস্তুক গ্ৰহণ কৰে, এমনে আত্মায়ো পুৰণা দেহক এড়ি নবীন দেহক স্বীকাৰ কৰে, কৰ্ম নিবন্ধ নতু দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিতে নালাগে। এই আত্মাক অস্ত্ৰেয়ো নাকাটে, অগ্নিয়ো নদহে জলেও কোমল নকৰে, বায়ুনো নুশুকায়। এতেকে অছেদ্য অদাহ্য অক্লেদ্য অশোচ্য নিত্য সৰ্বগত অচল সনাতন অব্যক্ত অচিন্ত্য অপ্ৰাচ্য কৰি কহে।"

ভট্টদেৱৰ গদ্যত সংস্কৃত ব্যাকৰণৰ নীতি অনুসৰণ কৰি বাক্য গঠনত গুৰুত্ব প্ৰদান কৰা হৈছে। যেনে— স্ত্ৰীসব দুষ্টা; প্ৰকৃতি মোৰ অংশস্বৰূপা, ইত্যাদি। সন্ধি সমাসৰ ক্ষেত্ৰতো সংস্কৃত ব্যাকৰণৰ আৰ্হি অনুসৰণ কৰা হৈছে। তেওঁৰ গদ্যত ব্যৱহৃত শব্দ বিভক্তিসমূহ এনে ধৰণৰ ঃ

প্ৰথমা— 'এ' ঃ নন্দে বোলন্ত।
দ্বিতীয়া— 'ক' ঃ মোক কহিলা।
তৃতীয়া— 'সি' ঃ সেই তত্ত্বক ভক্তি সি পাই।
চতুৰ্থী— 'ৰ' ঃ তুমাৰ মুখপদ্মৰ পৰা।
সপ্তমী— 'ত' ঃ পৃথিৱীত ব্যক্ত হৈ লা।

২.৪.৪ গদ্যৰ অন্যান্য বৈশিষ্ট্য

- বহুবচনাত্মক প্ৰত্যয়, সব, গুলা, গণ আদিৰ ব্যৱহাৰ; সভাসদসব, তোৰা তোঠেৰ, কতোগুলা, তোৰাসব, ইত্যাদি।
- সাধাৰণতে যৈবে তেবে', 'যদি বোলা', 'এতেকে', 'ইদানীক' আদিৰে বক্তব্য আৰম্ভ কৰা হৈছে।
- ভট্টদেৱৰ গদ্যত যেমনে, তেমনে, যেখনে, তেখনে আদি সংযোজক অব্যয়ৰ যোগেদি বাক্য সংলগ্ন কৰা হৈছে।
- সৰ্বনাম শব্দ হিচাপে যি, ই, আমি, তুমি, আদি ৰূপ পোৱা যায়। আপুনি শব্দটো নিজ অৰ্থত ব্যৱহাৰ কৰা হৈছে। ইয়াৰ বাহিৰেও কুনে, কুন, কুনু, তুমাক, আমাক আদি পশ্চিম অসমৰ উপভাষাৰ ৰূপো পৰিলক্ষিত হয়।
- নিৰ্দিষ্টতাবাচক 'গোট' আৰু 'টা'ৰ ব্যৱহাৰ; যেনে— গদ্য গোট, সাতটা, ইত্যাদি।
- বিভিন্ন কালৰ ক্ৰিয়াসমূহৰ ৰূপ এনে ধৰণৰ—
  - বৰ্তমান কাল ঃ কৰোঁ, কৰ, কৰে, কহে, ধাৰে, পাৰে, কৰন্ত, কহন্ত, বোলয়, ইত্যাদি।
  - ভূতকাল ঃ হয়ল, হৈলা, হৈল, উঠিল, গুছিল, কহিলা, বধিলা, পাইলো, দেখিলো, ইত্যাদি।
  - ভৱিষ্যত কাল ঃ হৈব, হৈবা, পাইবো, হৈবো, ইত্যাদি।
- অন্যান্য ক্ৰিয়াৰ চানেকি এনে ধৰণৰ।
  - তুমুনন্ত ঃ শুনিতে, কৰিতে, বলিয়ে, ৰাখিবে লাগি, স্ৰজিবাক লাগি, ইত্যাদি।
  - কৃদন্ত ঃ নিয়াৰ, যাইবাৰ, সুজন্তা, ভজন্তা, ইত্যাদি।
  - নাস্ত্যৰ্থক ঃ নকৰে, নেদেয়ে, নেৰে, নপাইলো, নাকাটে, নুবুলিল, এৰাণ নজাই-নতো কৰে।
  - অসমাপিকা ঃ ডাকি (হৰিবোল), এৰি, আনি-নেদেখি-কান্দিয়া, লৈয়া-সৈয়া, ইত্যাদি।
- সংযুক্ত ধাতুৰূপৰ ব্যৱহাৰ; যেনে— বাদ্য কৰ, ধ্বনি কৰ, শব্দ কৰ, লঘু হ, পূজা কৰ, নমস্কাৰ কৰ, জোৰা দি, লাগ ধৰ, ইত্যাদি।
- ক্ৰিয়া বিশেষণৰ ৰূপ — একলাই, সদায়, নাইকা আদিৰ প্ৰয়োগ লক্ষণীয়।
- ভট্টদেৱৰ গদ্যত কামৰূপী উপভাষাত প্ৰচলিত ভালেমান শব্দৰ প্ৰয়োগ পোৱা যায়।
- ক্ৰিয়াৰ বিভিন্ন কাল সম্পৰ্কে সচেতন হৈ সেইবোৰৰ বাক্যৰূপ প্ৰদানত ভট্টদেৱে পৰৱৰ্তী লেখকসকললৈ আৰ্হি দেখুৱাই থৈ গৈছে। যেনে—

হে অচ্যুত এই উভয় সেনাৰ মধ্যত মোৰ ৰথক
ৰাখিয়ো, যাৱন্তে সুবান্তা বীৰসবক চাওঁ;
বুলিবা তুমি যুবান্তাসে যুদ্ধ চাবা নহ'ৱা; তাত শুনা
মঞি কাৰ সমে যুদ্ধ কৰিম।

অসমাপিকা ক্রিয়াৰ প্রয়োগ অধিক। কেতিয়াবা একেটা বাক্যতে একাধিক অসমাপিকা ক্রিয়াৰ প্রয়োগ ঘটিছে। যেনে— "সফল ইন্দ্রিয়ক নিৰোধি মনকো হৃদয়ত স্থিৰ কৰি বিষয়ৰ গ্রহণ-স্মৰণ এৰি ভ্রূৰ মধ্যত প্রাণক ৰাখি ধৈর্যক আশ্রয় কৰি মুখত নাম উচ্চাৰি নামৰ অর্থ মনত স্মৰি দেহক এড়ি যি যাই সি পৰম গতি পাৱে।"

মুঠতে ভট্টদেৱৰ ৰচনাত অসমীয়া ভাষাৰ এটি ব্যাকৰণ সঙ্গত নির্দিষ্ট ৰূপ দেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভট্টদেৱৰ গদ্যৰ বিশেষত্ব কি? (১৫০টা শব্দৰ ভিতৰত)

২.৪.৫ অনুবাদ ৰীতি

ভট্টদেৱে সর্বউপনিষদৰ সাৰ স্বৰূপ সম্পূর্ণ *গীতা* শাস্ত্রখনি অসমীয়া গদ্যলৈ ভাঙনি কৰে।এনে এখন দার্শনিক তত্ত্বপূর্ণ অতুলনীয় শাস্ত্র অসমীয়ালৈ অনুবাদ কৰাটোৱে ভট্টদেৱৰ অতুলনীয় পাণ্ডিত্য আৰু সৃজনী প্রতিভাৰ পৰিচয় দাঙি ধৰে। *কথা গীতাত* পুৰণি অপ্রচলিত শব্দৰ প্রয়োগ যথেষ্ট কম,ৰচনাশৈলী বেছি প্রাঞ্জল আৰু মধুৰ। ভট্টদেৱৰ কথাশৈলী, পৰিপক্ক ৰচনা কৌশল, শব্দৰ ব্যৱহাৰ আদিলৈ লক্ষ্য কৰি হেমচন্দ্র গোস্বামীয়ে *কথা গীতা কথা ভাগৱততকৈ* পিছত ৰচিত বুলি অনুমান কৰিছে।

ভট্টদেৱৰ "শ্রীধৰী, শাঙ্কৰী, দামোদৰী, ভাস্কৰী, চাৰিও টীকা বিচাৰ কৰিছিল, তথাপি প্রায় শ্রীধৰী টীকাৰ মতে কথা নিবন্ধিবো। তাহাৰ যুক্তি শুনা। শাঙ্কৰী টীকাই জ্ঞানক প্রধান কৰি ব্যাখ্যা কৰে, ভাস্কৰী কর্মক প্রধান কৰে; শ্রীধৰী ভক্তি মাত্র নিৰূপণ কৰে, দামোদৰী তিনিও যোগক সমান কহে।"

ভট্টদেৱে বাহুল্য বর্জিত কৰি যেনেকৈ যথাযথভাৱে মূলৰ পৰা অসমীয়া গদ্যলৈ ভাঙনি কৰিছে, তাৰ উদাহৰণ বিৰল। অকল অসমতে নহয়, সমগ্র ভাৰতৰ ভিতৰতে প্রথম গদ্য সাহিত্যৰ ৰচয়িতা হিচাপে ভট্টদেৱ বিশেষ কৃতিত্বৰ অধিকাৰী।

গীতাত আছে—

বাংসাসি জীর্ণানি যথা বিহায়
নৱানি গৃহ্ণাতি নৰোঽপৰাণি

তথা শৰীৰাণি বিহায় জীর্ণা
ন্যন্যানি সংযাতি নৱানি দেহী।। 2û22

ভট্টদেৱে ইয়াৰ অনুবাদ ক�ৰিছে এনেদৰে — 'যেন মনুষ্য জীর্ণ বস্ত্রক পৰিত্যাগ কৰি নবীন বস্ত্রক গ্রহণ কৰে, এমনে আত্মায়ো পুৰণি দেহক এড়ি, নবীন দেহক স্বীকাৰ কৰে।'

শ্রীকৃষ্ণই অর্জুনৰ আগত কোৱা এই কথাষাৰ আৰু স্পষ্ট কৰিবলৈ ভট্টদেৱে তাত যোগ দিছে, কর্ম নিবন্ধন নতুন দেহ অৱশ্যে হৈব, জীর্ণ দেহ নাশত শোক কৰিতে নালাগে।

নৈনং ছিন্দন্তি শাস্ত্রাণি নৈনং দহতি পাবকঃ।
ন চৈনং ক্লেদয়ন্ত্যাপো ন শোষয়তি মাৰুতঃ।। 2û23

এই আত্মাক অস্ত্রয়ো নাকাটে, অগ্নিয়ে নদহে, জলেয়ো কোমল নকৰে, বায়ুয়েও নুশুকায়।

কলিকতা বিশ্ববিদ্যালয়ৰ তদানীন্তন উপাচার্য্য ন্যায়াধীশ আশুতোষ মুখার্জীয়ে লিখিছিল— "The people who could write Gita in such prose in the sixteenth century was not a small people."

ভট্টদেৱৰ *কথা গীতাৰ* সম্পর্কে মন্তব্য কৰি কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰে হেমচন্দ্র গোস্বামীলৈ লিখা চিঠিত এনেদৰে লিখিছিল— "You may very well be proud of the author of this book who could handle prose in such a remarkably lucid style more than a century before we had any prose book in Bengal."

২.৪.৬ কঠিন শব্দৰ টোকা

প্রথম অধ্যায়

যুদ্ধক ইচ্ছাই = যুদ্ধ কৰিবৰ মনেৰে, মিলিত হুয়া = সমবেত হৈ, ব্যুহৰূপে = বেহু ৰচনা কৰি, বিস্তৰ = বহুত, মহাৰথী = অকল দহ হাজাৰ সৈন্যৰ সন্মুখীন হ'ব পৰা বীৰ, অতিৰথী = অগনন সৈন্যৰ বিৰুদ্ধে যুঁজিব পৰা বীৰ, থাকিয়াৰ দেখি = থকা দেখি, হৃষিকেশ = মন-বুদ্ধি আদি চলাওঁতা, যাৱন্তে = যাতে, যুজন্তা = যুজোঁতা, পিতৃব্য = পিতৃ তুল্য, পৌত্র = নাতি, পৰম কৃপায়ে ব্যাপ্ত হুয়া = অতি দয়া পৰবশ হৈ, ৰোমো শিহৰে = নোমো শিয়ৰি উঠে, হাতৰ খসি পৰে = হাতৰ পৰা সুলকি পৰে, বিমঙ্গল মাথো দেখোঁ = অমঙ্গলবোৰ দেখোঁ, নবাঞ্ছো = ইচ্ছা নকৰোঁ, মাৰিবে ইচ্ছা নকৰি = মাৰিবলৈ ইচ্ছা নকৰোঁ, ধর্ম শাস্ত্রক অপেক্ষাই = ধর্মশাস্ত্রৰ মতে, বর্ণসঙ্কৰ = একবর্ণৰ পুৰুষ আৰু অন্য বর্ণৰ তিৰোতাৰ পৰা হোৱা সন্তান, বর্ণাশ্রম ধর্ম = ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র — এই চাৰি বর্ণৰ বিহিত কর্ম।

দ্বিতীয় অধ্যায়

প্রৱর্ত্তিল = হ'ল, প্রৱর্তন কৰিলে, পৰন্তপ = পৰোপকাৰী, অন্যায়-কার্পণ্য কৰি = তুচ্চ হৃদয় দৌৰ্বল্য এৰি, নিবর্তিলো = পিচুৱাই আহিলো, দেহ যাত্রাও নুহিবেক = সংসাৰ যাত্রাও নহ'ব, ৰুধিৰে লিপ্ত = তেজ সিক্ত, যুদ্ধত নিবর্ত্তবা = যুদ্ধৰ পৰা ঘূৰাই পঠিয়া, এড়িবৰ নহে = নেৰিব, তাৰাৰ = তেওঁলোকৰ, শূৰ স্বভাৰ = ধীৰ স্বভাৱ, যি যুক্ত হৱে = যি উচিত হয়, ইন্দ্রিয় শোষণ শোক = ইন্দ্রিয়ৰ শক্তি হ্রাস কৰা শোক, গুড়াকেশ = অর্জুন গুড়াক (নিদ্রা) + ঈশ (প্রভু) নিদ্রা জয়কাৰী, শোকৰ অবিষয় = শোকৰ হেতু নোহোৱা, জীয়ন্তা-মাৰন্তা = জীৱিত বা মৃত, দেহ নিবন্ধন = দেহৰ পূর্বাপৰ চলি অহা দস্তুৰ, দেহান্তৰ প্রাপ্তিকো = মৃত্যুকো, কদাচিত = কেতিয়াবা, সন্ত-অসন্ত = সৎ-অসৎ, এহুয় = এনেকুৱা, অপৰিছিন্ন = অসীম, অনন্ত, অখণ্ড, নমাৱে নমৱে = নামাৱেও, নমৱেও, অর্থাৎ আত্মাই হত্যাও নকৱে, নমৱেও; পৰিণামো নেদেখি = পৰিণামহীন, সনাতন; অজ = জন্ম ৰহিত, অনাদি কালৰ পৰা যি বর্তমান; অন্যায় = ন্যায়ৰ বিপৰীত, স্বীকাৰ কৱে = আশ্রয় কৱে, গ্রহণ কৱে; শোক কৰিতে = শোক কৰিবলৈ, নুশুখাৱে = নুশুকায়, অছেদ্য = যাক কাটিব নোৱাৰি, অদাহ্য = যাক পুৰিব নোৱাৰি, অক্লেদ্য = যাক কলঙ্কিত কৰিব নোৱাৰি, অশোচ্য = যি বিষয়ত শোক কৰা অনুচিত, অচল সনাতন = চিৰ শাশ্বত, অপৰিহার্য কার্যত = অনিবার্য কাৰণত, কেনে শোক কৰ = কিয় শোক কৰা, আত্মাৰ জন্ম-মৰণ মানি = আত্মাৰ জন্ম মৰণৰ কথা ভাবি, শোক কৰিতে নপাৱা = শোক কৰিব নোৱাৰা, অব্যক্ত প্রধান হন্তে = অব্যক্ত পৰম পুৰুষৰ পৰা, আশ্চর্য হেন দেখে = অদ্ভুত যেন দেখে, সর্বগত = সর্বব্যাপ্ত, যুক্ত নহে = উচিত নহয়, কম্পিব নৰিহে = কঁপিব নোৱাৱে, আপুনি মিলিছে = আপোনা আপুনি আহিছে, যুদ্ধত নিবর্ত্তিলা = যুদ্ধত পিচ হুহকিল, লঘু হৈবা = তুচ্চ হ'বা, নিন্দি = নিন্দা কৰি, যুদ্ধক উঠা = যুদ্ধলৈ প্রস্তুত হোৱা, উপসংহৰি = সমাপ্ত কৰি, ঈশ্বৰৰ প্রসাদে = ঈশ্বৰৰ অনুগ্রহত, মন্ত্রাদি বৈগুণ্য = মন্ত্র আদিৰ দুর্গুণ, কিঞ্চিদ্বৈগুণ্যেও = এধানি দুর্গুণতো, পুষ্পিত বিষলতাসম = জকমকীয়া ফুলেৰে বিষলতাৰ তুল্য, আপাত = সাম্প্রতিক, স্বর্গত পৰ = স্বর্গ ব্যতিৰেক, বেদৰ পুষ্পিত বাক্যে = বেদৰ মধুৰ বাক্যত, অপ্রাপ্ত বস্তুক স্বীকাৰ এড়া = নোপোৱা বস্তুৰ প্রত্যাশা এৰা, ব্রহ্মনিষ্ঠ = ব্রহ্মজ্ঞানী, লবলেশ = এধানিমান, কণিকা; কর্ম অকৰণতো নিষ্ঠা নকৰিবা = কর্ম ত্যাগত প্রবৃত্তি নাৰাখিবা, অনন্ত অপকৃষ্ট = অতি নিকৃষ্ট, সকামীজনক অতি কৃপণ জানিবা = ফলাফল আশা কৰা পুৰুষ অতি কৃপাৰ পাত্র, সবাতে বিৰক্ত হুয়া = সকলো বিষয়তে অনাসক্ত হৈ, ব্রজন = গমন, ফুৰণ; স্থিত প্রজ্ঞ = সুখ-দুখৰ সমান জ্ঞান কৰি নিজৰ আত্মাতেই সন্তুষ্ট থকা পুৰুষ, কুর্ম্মে = কাছই, বাৰচৰণ মুখ = হাতৰ ঠেং মুখ, হৈবাক নাৰিহে = হ'ব নোৱাৱে, নিয়মন নহৈলে = সংযত নহ'লে, আসন = আসন্ন, নিকটৱর্তী; কামৰ প্রতিঘাটে = কামনা-বাসনাৰ ঘাট-প্রতিঘাটত, নিৰোধন অশক্য = নিবাৰণ কৰা অসাধ্য, আত্মা বিষয় বুদ্ধি নঘটে = আত্মা বিষয়ক জ্ঞান নহয়, সর্বতো

ভ্ৰমাই = সকলো ফালে ঘূৰাই লৈ ফুৰে, নিবৰ্ত্তন = নিবৃত্ত, ব্যাপাৰশূন্য = খাওন, শোৱন, গমন আদি কাৰ্যৰহিত, উলুক = ফেঁচা, প্ৰাৰব্ধ কৰ্ম =পূৰ্ব জন্মৰ কৰ্মই, স্বৰূপত চালিবে নপাৰে = স্বৰূপাৰ্থত চলাবলৈ নোৱাৰে, অপ্ৰাপ্তকো স্পৃহা নকৰি = নোপোৱাখিনিলৈয়ো আকাংক্ষা নকৰাকৈ, উপসংহৰি কহন্ত = সামৰণি মাৰি ক'লে।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *কথা ভাগৱত, কথা গীতা* আৰু *কথা ৰত্নাৱলী*— এই তিনিখন গদ্যত লিখা পুথিৰ ৰচয়িতা ভট্টদেৱৰ জীৱন আৰু কৃতিৰ লগতে তেওঁ গদ্য প্ৰতিভা সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ।
- পাঠ্যবিষয়ৰ অন্তৰ্গত *কথা গীতাৰ* প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ বিষয়ে বিশদভাৱে অধ্যায়টিত আলোচনা দাঙি ধৰা হ'ল।
- *কথা গীতাৰ* প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ আধাৰতে ভট্টদেৱৰ গদ্যশৈলী, ব্যাকৰণগত বৈশিষ্ট্য, তেওঁৰ অনুবাদ ৰীতিৰ লগতে ভট্টদেৱৰ গদ্যত সততে দেখা পোৱা বিশেষ বৈশিষ্ট্য কিছুমানৰ বিষয়ে অধ্যায়টিত বিস্তৃতভাৱে আলোচনা দাঙি ধৰা হ'ল। লগতে অধ্যায় দুটিত থকা কিছুমান কঠিন শব্দৰ অৰ্থও পৃথকে উল্লেখ কৰা হ'ল।



২.৬ অধিক জানিবলৈ

১) গোস্বামী, প্ৰণতি শৰ্মা (সম্পা.) (২০০৯); *ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ;* গুৱাহাটী ঃ প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

২) গোস্বামী, ভৃগুমোহন (সম্পা.) (১৯৯৪); *ভট্টদেৱৰ কথা গীতা;* গুৱাহাটী ঃ নিউ বুক ষ্টল।

৩) দাস, নাৰায়ণ (১৯৯৬); *ভট্টদেৱ ঃ জীৱন আৰু সাহিত্যকৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) দেৱগোস্বামী, কেশৱানন্দ (১৯৭৯); *অঙ্কমালা;* গুৱাহাটী ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (১৯৬৩); *শ্ৰীশ্ৰীশঙ্কৰদেৱ;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল ।

৬) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী*(দ্বিতীয় খণ্ড); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) মেধি, কালিৰাম (সম্পা.) (১৯৫০); *অঙ্কাৱলী;* গুৱাহাটী।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ কথাকাৰ ভট্টদেৱৰ চমু পৰিচয়... ...তেওঁৰ গদ্যৰীতিৰ চমু আলোচনা... ...গদ্যৰ ফুটি উঠা বৈশিষ্ট্য (পাঠত আলোচনা কৰা দিশসমূহৰ আধাৰত)... ...*কথা গীতাৰ* পাঠৰ আধাৰত তেওঁৰ অনুবাদ ৰীতিৰো চমু উল্লেখ।

২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভট্টদেৱৰ জীৱন আৰু কৃতিৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমীয়া গদ্য সাহিত্যত ভট্টদেৱৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ ভট্টদেৱৰ *কথা গীতাৰ* প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ *কথা গীতাৰ* পাঠৰ আধাৰত ভট্টদেৱৰ গদ্য আৰু তাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ ভট্টদেৱৰ অনুবাদ ৰীতি কেনেকুৱা? *কথা গীতাৰ* গদ্যাংশৰ আধাৰত বিচাৰ কৰক।

*** **** ***